**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 11**-07-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু দেশৰ আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে নতুন দিল্লীত মত-বিনিময় কৰে। শ্ৰীমোদীয়ে আসন্ন কেন্দ্ৰীয় বাজেট সন্দৰ্ভত তেওঁলোকৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰে। অৰ্থনীতিবিদৰ উপৰি বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞসকলো এই বৈঠকত উপস্থিত থাকে। বৈঠকত নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰি আৰু অন্য সদস্যসকলেও অংশ লয়।

উল্লেখযোগ্য যে, সংসদৰ বাজেট অধিবেশন ২২ জুলাইত আৰম্ভ হ'ব আৰু ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰিব। এয়া নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট হ'ব। এই বাজেটে ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পথৰ নিৰ্দেশ দিব বুলি আশা কৰা হৈছে। যোৱা মাহত অনুষ্ঠিত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইবাৰৰ বাজেট চৰকাৰৰ দূৰদৰ্শী নীতি আৰু ভৱিষ্যতৰ উপযোগী দৃষ্টিভংগীৰ ফলপ্ৰসূ নথি হ'ব বুলি মন্তব্য কৰিছিল। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে দেশত সংস্কাৰকামী পৰিৱৰ্তন সাধনৰ বাবে বিভিন্ন ঐতিহাসিক সিদ্ধান্তও বাজেটত অন্তৰ্ভুক্ত কৰিব বুলি আশা কৰিছে। আজিৰ বৈঠকত কেইবাগৰাকীও বিশেষজ্ঞই চৰকাৰক সাধাৰণ শ্ৰেণীৰ লোকৰ বাবে কৰ ৰেহাই তথা মুদ্ৰাস্ফিতী নিয়ন্ত্ৰণ কৰি দেশৰ অৰ্থনৈতিক বিকাশৰ হাৰ দ্ৰুত কৰি তোলাৰ পৰামৰ্শ দিছে। উল্লেখযোগ্য যে ২০২৩-২৪ বৰ্ষত দেশৰ অৰ্থনৈতিক বিকাশৰ হাৰ আছিল ৮ দশমিক ২ শতাংশ। ইয়াৰ আগেয়ে লোকসভা নিৰ্বাচনৰ বাবে যোৱা ফেব্ৰুৱাৰীত অন্তৰৰ্তীকালীন বাজেট দাখিল কৰা হৈছিল।

০০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত বতৰ ফৰকাল হোৱাৰ বাবে বাঢ়নি পানী হ্ৰাস পাইছে যদিও এতিয়াও ২৭খন জিলাৰ ১৪ লাখতকৈ অধিক লোক বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি এতিয়াও ৮৬টা ৰাজহ চক্ৰৰ দুহেজাৰ ৫০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ ৪ জন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৮৩ লৈ বৃদ্ধি পাইছে। ৰাজ্য চৰকাৰে, ২০৯টা আশ্ৰয় শিবিৰ আৰু ১৫৬ টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বৰপেটা জিলাৰ সৰ্থেবাৰীত বান পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে, বুঢ়াদিয়া নৈৰ বানে সৰ্থেবাৰীৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলোৱাৰ ফলত কেইবাহাজাৰো লোক বানত ক্ষতিগ্ৰস্ত হৈছে। সম্প্ৰতি পানী শুকাইছে যদিও পৰিস্থিতি স্বাভাৱিক হোৱা নাই। মন্ত্ৰীগৰাকীয়ে বান ক্ষতিগ্ৰস্তসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ ক্ষয়-

ক্ষতি আৰু সাহায্য বিতৰণ প্ৰক্ৰিয়াৰ বুজ লয়। **গোৱালপাৰা** জিলাৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও যোৱা নিশাৰ পৰা হৈ থকা বৰষুণে পুনৰ ন ন অঞ্চল প্লাবিত কৰাৰ আশংকাই দেখা দিছে। জিলাখনৰ ২৮৭ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। জিলাখনত ৮০ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে স্থাপন কৰা ১২ টা আশ্ৰয় শিবিৰত তিনি হাজাৰ ৪০০ৰো অধিক লোকে আশ্ৰয় লৈ আছে।

ৰাজ্যখনত বান পৰিস্থিতিয়ে বিভিন্ন অঞ্চলত সমস্যাৰ সৃষ্টি কৰাৰ প্ৰতি লক্ষ্য ৰাখি সেৱা ভাৰতী পূৰ্বাঞ্চলৰ কৰ্মীসকলে উদ্ধাৰ আৰু সাহায্য অভিযানত জড়িত হৈছে। তেওঁলোকে দেশৰ অন্যান্য প্ৰান্তৰ লোকক অসমৰ বান ক্ষতিগ্ৰস্ত লোকসকলক সহায়ৰ বাবে আহ্বান জনাইছে। তদুপৰি তেওঁলোকে ক্ষতিগ্ৰস্তসকলক সহায়ৰ বাবে বেংক একাউণ্ট নম্বৰ, হোৱাটছআপ নম্বৰ আদি মুকলি কৰি জনসাধাৰণক সাহায্য আগবঢ়াবলৈ আগবাঢ়িছে।

০০০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত আৰ্হি সলনি সন্দৰ্ভত বিভিন্ন পক্ষই প্ৰতিক্ৰিয়া ব্যক্ত কৰাত বিষয়টো পুনৰ বিবেচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজকি মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, বিষয়টো পুনৰ বিবেচনা কৰি এই সন্দৰ্ভত শীঘ্ৰেই সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

০০০০০০০০

ৰাজ্যত বন্ধ হৈ থকা শীতল ভঁৰালসমূহ পুনৰুজ্জীৱিত কৰাৰ লগতে নতুন শীতল ভঁৰাল নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি কৃষি বিভাগৰ মন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দিছপুৰত অনুষ্ঠিত এখন বৈঠকত কৃষি উৎপাদন আয়ুক্ত তথা কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰাজোৰীয়া, সচিব তেজপ্ৰসাদ ভূষালৰ লগতে বিভাগৰ আন জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মন্ত্ৰী শ্ৰীবৰাই শীতল ভঁৰালসমূহৰ স্থিতি সন্দৰ্ভত আলোচনা কৰে। তেওঁ কয় যে, সহজে নষ্ট হ'ব পৰা খাদ্য সামগ্ৰীৰ ম্যাদ বৃদ্ধি তথা গুণগত মান অক্ষুণ্ণ ৰখা, নষ্ট হোৱাৰ পৰিমাণ হ্ৰাস কৰা, পৰিবহণ ব্যয় হ্ৰাস কৰা আদিৰ ক্ষেত্ৰত শীতল ভঁৰাল ব্যৱস্থাই কৃষক আৰু ব্যৱসায়ীসকলক উপকৃত কৰিব।

০০০০০০০০

ঃসমাপ্তঃ